**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ আৰু চৰাঞ্চলত নিয়োজিত শিক্ষয়িত্ৰীসকলক গৃহ বা নিকটৱৰ্তী জিলালৈ বদলি কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ।

২। নিৰ্দিষ্ট ধৰ্মৰ ভিত্তিত কোনো দখলকাৰীয়ে সুৰক্ষা নাপাব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায় প্ৰদান।

৩। গুৱাহাটীৰ খানাপাৰাত আজি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠান।

৪। বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ জয়েৰে অভিযান আৰম্ভ।

**আৰু**

৫। আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীত হ'বলগীয়া খেলত বাংলাদেশ ইংলেণ্ডৰ মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ৰাষ্ট্ৰীয় পেন্সন আঁচনিৰ অধীনত সামৰি লোৱা ৰাজ্যিক কৰ্মচাৰীৰ বাবে ইউনিফাইড পেন্সন আঁচনি প্ৰৱৰ্তনত অনুমোদন জনোৱা হয়। সেৱা কাল সম্পূৰ্ণ হোৱা আৰু স্বেচ্ছাই অৱসৰ লোৱাৰ পাছত কৰ্মচাৰীসকলে পেন্সনৰ ধন লাভ কৰিব।

মন্ত্ৰীসভাৰ বৈঠকত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ আৰু চৰাঞ্চলত নিয়োজিত শিক্ষয়িত্ৰীসকলক পাঁচ বছৰ সেৱা সম্পূৰ্ণ কৰাৰ পাছত তেওঁলোকৰ গৃহ বা নিকটৱৰ্তী জিলালৈ বদলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

*(বাইট ঃ চি এম)*

সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পূৰ্বৰ ৫ বছৰৰ পৰিৱৰ্তে ৩ বছৰ সেৱা সম্পূৰ্ণ কৰা শিক্ষকসকলক চৰকাৰী শিক্ষক হিচাপে নিয়মীয়াকৰণতো মন্ত্ৰীসভাই অনুমোদন জনায়।

*(বাইট ঃ চি এম)*

চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিতৰণৰ বাবে চাইকেল ক্ৰয়ত অনুমোদন জনোৱা লগতে মন্ত্ৰীসভাই স্নাতক প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ নামভৰ্তিৰ মাচুল পৰিশোধৰ বাবে **প্ৰজ্ঞান ভাৰতী আঁচনি**ৰ অধীনত ১২৬ কোটি ৯৭ লাখ টকাৰ বিত্তীয় আৱণ্টন দিয়ে। কালিৰ বৈঠকত মাষ্টাৰ ৰোল, অস্থায়ী আৰু স্থিৰ দৰমহা লাভ কৰা এহেজাৰ ২৩১ গৰাকী কৰ্মচাৰীক ন্যূনতম দৰমহা প্ৰদানত অনুমোদন জনোৱা হয়।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ১০ হাজাৰ ১৮৬ গৰাকী সামূহিক কেডাৰক অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনি অধীনত হিতাধিকাৰী হিচাপে অন্তৰ্ভুক্তিতো মন্ত্ৰীসভাই অনুমোদন জনায়। ৰাজ্যৰ গ্ৰামাঞ্চলত সকলো ধৰণৰ বতৰৰ উপযোগী যোগাযোগ নিশ্চিতকৰণৰ বাবে দীৰ্ঘস্থায়ী গ্ৰাম্য দলং কাৰ্যসূচীৰ বাবে মন্ত্ৰীসভাই ৪ হাজাৰ ৮১৬

কোটিতকৈও অধিক টকাৰ সংশোধিত প্ৰশাসনিক ব্যয়ত অনুমোদন জনায়। এই প্ৰকল্পৰ অধীনত ৩৫০ খন নতুন দলং নিৰ্মাণ, ১০৩ খন ঠেক পকী দলং বহল কৰা, ৬৯৪ খন বিভিন্ন কাৰণত সংকটপূৰ্ণ দলঙৰ মেৰামতি আদিৰ কাম সামৰি লোৱা হ'ব। এই বৈঠকতে ৪ হাজাৰ ২৮৭ কোটি টকা ব্যয়ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নতুন চৌহদ নিৰ্মাণকে ধৰি আন্তঃগাঁথনি উন্নয়ন, বিশেষ চিকিৎসা উপলভ্যতা আৰু গুণগত মান বৃদ্ধিৰ বাবে **আস্থা** প্ৰকল্পত অনুমোদন জনোৱা হয়। তামিলনাডুৰ দুৰ্ঘটনাত নিহত ৯ জন ভুক্তভোগীৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন জনায়।

ইপিনে বৰাক উপত্যকাৰ শিলচৰত ৫৬৪ কোটি ৫০ লাখ টকা ব্যয়ৰে এটা উৰণ সেতু নিৰ্মাণ প্ৰকল্পত মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰকল্পটোৰ অধীনত ট্ৰাংক ৰোডৰ পৰা কেপিটেল পইণ্ট হৈ ৰাঙিৰ খাৰীলৈকে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব।

০০০০০০

নিৰ্দিষ্ট ধৰ্মৰ ভিত্তিত কোনো দখলকাৰীয়ে সুৰক্ষা নাপাব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে শেহতীয়াকৈ এটা গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। ৰাজ্যৰ খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ অন্তৰ্গত হোৱাৰ পাছতো চৰকাৰে অবৈধভাৱে ঘৰ ভাঙি দিয়াৰ অভিযোগ তুলি সদৌ অসম গৰিয়া যুৱ-ছাত্ৰ পৰিষদে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ জৰিয়তে সংগঠনটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া লোকে চৰকাৰী ভূমি দখল কৰিলে সেয়া চৰকাৰে অবৈধ দখল হিচাপে গণ্য নকৰে বুলি মন্তব্য আগবঢ়াইছিল। মুখ্যমন্ত্ৰীৰ এই বক্তব্য বিভিন্ন মাধ্যমত যোৱা ২ আগষ্টত প্ৰকাশ পোৱাৰ পাছতো খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ক লক্ষ্য হিচাপে লৈ চৰকাৰে উচ্ছেদৰ জাননী জাৰি কৰাত সংগঠনটোৱে উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি এই আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে সকলো পক্ষৰ যুক্তি শুনি এই কথা প্ৰকাশ কৰে যে ধৰ্মৰ ভিত্তিত কোনো লোকে সুৰক্ষা নাপায় আৰু আইন সকলোৰে ক্ষেত্ৰত সমানে প্ৰযোজ্য। অসম বন অধিনিয়ম, ১৮৯১ উলংঘা কৰি বনভূমি দখল কৰা যিকোনো ধৰ্মৰ লোকৰ বিৰুদ্ধে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি ন্যায়ালয়ে প্ৰকাশ কৰে। ইয়াৰ উপৰি সদৌ গৰিয়া যুৱ ছাত্ৰ পৰিষদ পঞ্জীয়নকৃত সংগঠন নহয় বাবে সংগঠনটোৰ আবেদনখন গ্ৰহণযোগ্য নহয় বুলি ব্যক্ত কৰি ন্যায়ালয়ে কয়, যে উচ্ছেদৰ বিষয়টো ব্যক্তিৰ সৈতেহে জড়িত। যদি কোনো লোকে তেওঁলোকৰ বিৰুদ্ধে আইন বিৰোধী ব্যৱস্থা লোৱা বা কোনো অধিকাৰ খৰ্ব হোৱা বুলি ভাবে, তেন্তে তেওঁলোকে উপযুক্ত মঞ্চৰ দ্বাৰস্থ হ'ব পাৰিব।

০০০০০০

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশত লৈ যোৱাৰ লক্ষ্যৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজ্যৰ ২৫ হাজাৰৰো অধিক স্থানত কাইলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই আঁচনিৰ অধীনত ৩৮ লাখৰো অধিক পৰিয়ালক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়–

***(বাইট ঃ হেমন্ত)***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

ধন আৰু ঐশ্বৰ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কালি সমগ্ৰ ৰাজ্যতে উদযাপন কৰা হয়। ভক্তসকলে ঘৰে ঘৰে নৈবদ্য, ধূপ-দীপ আগবঢ়াই নিজ নিজগৃহলৈ ঐশ্বৰ্যবিভূতি আগমনৰ কামনা কৰে। কোনো কোনো ঠাইত ৰাজহুৱাভাৱেও লক্ষ্মী দেৱীৰ পূজাৰ আয়োজন কৰা হয়।

গুৱাহাটী মহানগৰীৰ বেলতলাৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ, গণেশগুৰিৰ লক্ষ্মী মন্দিৰকে ধৰি বিভিন্ন মন্দিৰ আৰু নামঘৰ আদিতো এই পূজা অনুষ্ঠিত হয়। সন্ধিয়াৰ ভাগত নাম-প্ৰসংগ আৰু ভোগ-বিতৰণ কৰা হয়।

লখিমপুৰৰ ঢকুৱাখনা, চিৰাং, বাক্সাৰ শিমলা বজাৰৰ লগতে ৰাজ্যৰ আন প্ৰান্ততো লক্ষ্মী পূজা পালন কৰা হয়। চিৰাঙৰ বিজনীত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজা আৰু মেলা অনুষ্ঠিত হৈছে। চিৰাং জিলাৰ সদৰ কাজলগাঁৱতো ১২ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী পূজা আৰু মেলা অনুষ্ঠিত হৈছে। কালি সন্ধিয়া জিলা আয়ুক্ত যতীন বৰাই পূজা আৰু মেলাথলী উদ্বোধন কৰে। বাক্সাৰ শিমলা বজাৰত ৯ দিনীয়া কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ শুভাৰম্ভ হৈছে। কালি ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে।

000000

জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ. আই. টিৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। গোচৰ সংক্ৰান্তত আছ আই টিয়ে কালি জুবিন গাৰ্গৰ ষ্টুডিঅ'ৰ কেয়াৰ টেকাৰ অভিমন্যু তাঁতী, ব্যক্তিগত সহায়ক সাধন নাথ, ঋতু প্ৰয়াগ গাৰ্গ, প্ৰাৰ্থনা বৰাকে ধৰি আন কেইবাগৰাকীৰো ভাষ্য গ্ৰহণ কৰে। এছ. আই. টিয়ে ঘটনাৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তৰো কালি ভাষ্য গ্ৰহণ কৰে। ঘটনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকা লোকৰ লগতে বিগত এমাহৰ পৰা দুমাহ ধৰি জুবিন গাৰ্গে যিসকল লোকৰ সৈতে যোগাযোগত আছিল সেইসকল লোকৰো এছ. আই. টিয়ে ভাষ্য গ্ৰহণ কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে কালি সংবাদমেলত জনোৱা অনুসৰি ছিংগাপুৰৰ প্ৰবাসী ভাৰতীয় ৰূপকমল কলিতা আজি ভাৰতলৈ আহিব। জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ৰূপকমল কলিতা য়টখনত আছিল।

000000

অসম ৰাজ্যিক টি এন এ আইৰ উদ্যোগত আৰু ডিব্ৰুগড়ৰ নাৰ্চি অধ্যায়ৰ সহযোগত কালিৰে পৰা ৪১ সংখ্যক দ্বিবাৰ্ষিক সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনৰ কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত সাংবাদিক নিতুমণি শইকীয়াই অংশগ্ৰহণ কৰে। সন্মিলনত নাৰ্চসকলৰ স্বাৰ্থৰ পোষকতা কৰাৰ ওপৰত আলোচনা কৰা হয়। এই সন্মিলনত ৰাজ্যৰ ভিন্ন প্ৰান্তত শিক্ষা গ্ৰহণ কৰি থকা হাজাৰৰো অধিক পঞ্জীয়নভুক্ত পেচাদাৰী নাৰ্চৰ প্ৰতিনিধি উপস্থিত থাকে।

000000

কামৰূপ জিলাৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতে জয়েৰে অভিযান আৰম্ভ কৰিছে। কালি অনুষ্ঠিত গ্ৰুপৰ প্ৰথমখন খেলত ভাৰতে নেপালক ২-০ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতে আজি শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত গ্ৰুপৰ আন এখন খেলত শ্ৰীলংকাই সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰক পৰাস্ত কৰে। কালি অনুষ্ঠিত আন কেইখনমান খেলত ফ্ৰান্সে নৰ'ৱেক, আমেৰিকাই ভিয়েটনামক, তুৰস্কই উগাণ্ডাক, চীনে ঘানাক, চাইনিজ টাইপেই ব্ৰাজিলক, ডেনমাৰ্কে নেডাৰলেণ্ডক পৰাস্ত কৰে।

000000

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত বাংলাদেশ ইংলেণ্ডৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ'ব। বিশ্বকাপত দুয়োটা দলে ইতিমধ্যে একোখনকৈ খেলত জয়ী হৈছে।

ইপিনে ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত কালি অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ২৩২ ৰান দক্ষিণ আফ্ৰিকাই ৪ টা উইকেট হেৰুৱাই সংগ্ৰহ কৰে।

দলৰ হৈ তাজমিন ব্ৰিটছে ১০১ আৰু ছুনে লুছে অপৰাজিত ৮৩ ৰান কৰে। তাজমিন ব্ৰিটছক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে টছত জিকি নিউজিলেণ্ডে ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ছফী ডিভাইনে সৰ্বাধিক ৮৫ ৰাণ আৰু ব্ৰুক হলিডেই ৪৫ ৰাণৰ বৰঙণি যোগায়।

০০০০০০

দেশীয় বজাৰত সোণৰ দাম বৃদ্ধিৰ ধাৰা অব্যাহত আছে। নতুন দিল্লীত ২৮ কেৰেটৰ ১০ গ্ৰাম সোণৰ দাম ১ লাখ ৩০ হাজাৰ টকা হোৱাৰ বিপৰীতে অসমৰ বজাৰত সোণৰ দাম ১ লাখ ২০ হাজাৰ টকা হোৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে।

কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ দিনা য়টত বিনোদন কৰা প্ৰবাসী অসমীয়াসকলৰ ভিতৰত ৰূপকমল কলিতা আজি এছ আই চিৰ ওচৰত হাজিৰ হব। এয়া **দি আছাম ট্ৰিবিউন** কাকতৰ বাতৰি।

**দি টাইমছ অব ইণ্ডিয়া** কাকতে কণ্ঠশিল্পীগৰাকীৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু প্ৰবীণ বৈশ্যৰ বেংক একাউণ্টত মুঠ ১ কোটি ১০ লাখ টকা লেনদেনৰ তথ্য এছ আই টিয়ে লাভ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

মানৱ দেহৰ প্ৰতিৰোধ তন্ত্ৰৰ বিৰল গৱেষণাৰ বাবে মেৰী ই ব্ৰাংক, ফ্ৰেড ৰেমচডেল আৰু ছিমন ছাকাগুছীলৈ ২০২৫ বৰ্ষৰ চিকিতসা বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। **অসমীয়া খবৰ** কাকতে আলোকচিত্ৰসহ এই বাতৰি প্ৰকাশ কৰিছে।

অসমত বুনিয়াদী অৰ্থনীতি সবলীকৰণৰ উদ্দেশ্যে মহানগৰীৰ খানাপাৰাস্থিত পশুচিকিতসা মহাবিদ্যালয় খেলপথাৰত আজি অৰুণোদয় ৩.০ আনুষ্ঠানিকভাৱে মুকলি কৰা হব। এয়া **আমাৰ অসম** কাকতৰ বাতৰি।

মাত্ৰ ৫ শতাংশ ভাৰতীয় শিক্ষাৰ্থীক মাৰ্কিন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব পাৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে নিৰ্দেশনা দিছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে।

**দৈনিক অসম** কাকতে বিহাৰত অহা ৬ আৰু ১১ নৱেম্বৰত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কালি ৰাজ্যৰ শিক্ষকসহ দুগৰাকী শিক্ষাৰ্থীলৈ এন এছ এছ বঁটা আগবঢ়োৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ তথ্য মতে, ২০২৩ বৰ্ষত ৰাজ্যত ভাৰতীয় দণ্ড বিধি আৰু বিশেষ তথা ৰাজ্যিক আইনৰ অধীনত মুঠ ৬৪ হাজাৰ ৯৫৯ টা অপৰাধজনিত ঘটনা সংঘটিত হৈছে। **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিচাৰপীঠত গোচৰৰ শুনানি গ্ৰহণ কৰি থকা অৱস্থাত দেশৰ মুখ্য ন্যায়াধীশ বি আৰ গাভাইলৈ অধিবক্তা ৰাকেশ কিশোৰে জোতা নিক্ষেপ কৰাৰ বাতৰি **দ্য ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত